*Total number of printed pages–7*

**63/1 (SEM-5) CC11/ASMHC5116**

**2023**

# ASSAMESE

Paper : ASMHC5116

***(Study on General Linguistic)***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) ভাষাৰ সংকীৰ্ণতম ৰূপ হ'ল

*(i)* ব্যক্তিভাষা

*(ii)* পৰিয়াল ভাষা

*(iii)* আঞ্চলিক ভাষা

*(iv)* মাতৃভাষা

*Contd.*

(খ) ভাষাৰ প্ৰাথমিক উপাদানটো কি?

*(i)* বৰ্ণ

*(ii)* আখৰ

*(iii)* ধ্বনি

*(iv)* উপধ্বনি

(গ) 'A Course in Modern Linguistics' নামৰ পুথিখনৰ লেখক হ'ল

*(i)* লিঅ'নাৰ্ড ব্লুমফিল্ড

*(ii)* চাৰ্লচ হকেট

*(iii)* এইচ. এ. গ্লীছন

*(iv)* ফাৰ্ডিলাণ্ড দ্য চচ্যুৰ

(ঘ) "সি যদি আহিবলৈ বিচাৰে, তেতিয়া লৈ আহিবা।" এই বাক্যটো

*(i)* সৰল বাক্য

*(ii)* জটিল বাক্য

*(iii)* যৌগিক বাক্য

*(iv)* বৰ্ণনাত্মক বাক্য



(ঙ) ইংৰাজী 'morphology' শব্দটো কোন ভাষাৰ পৰা আহিছে?

*(i)* গ্ৰীক

*(ii)* লেটিন

*(iii)* ফৰাচী

*(iv)* ইংৰাজী

(চ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা?

*(i)* ২৩টা

*(ii)* ২১টা

*(iii)* ২০টা

*(iv)* ২২টা

(ছ) বাক্যত ব্যৱহাৰ হোৱা পদৰ যোগ্যতাৰ ভাগ কেইটা?

*(i)* ২টা

*(ii)* ৩টা

*(iii)* ৪টা

*(iv)* ৫টা

(জ) অসমীয়া ভাষাত পোৱা একমাত্ৰ নিম্নমধ্য বিশিষ্ট স্বৰধ্বনিটো হ'ল

*(i)* আ

*(ii)* অ

*(iii)* অ'

*(iv)* এ

(ঝ) তলৰ কোনটো ৰূপবদ্ধ প্ৰাকৃতি হয়?

*(i)* মানুহ

*(ii)* মানুহবোৰ

*(iii)* বোৰ

*(iv)* ওপৰৰ এটাও নহয়

(ঞ) তলৰ কোনটো বৰ্গৰ ধ্বনিসমূহ অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি বুলি ধৰা হয় ?

*(i)* 'ক' বৰ্গৰ ধ্বনিসমূহ

*(ii)* 'ট' বৰ্গৰ ধ্বনিসমূহ

*(iii)* 'ত' বৰ্গৰ ধ্বনিসমূহ

*(iv)* 'ট' আৰু 'ত' বৰ্গৰ ধ্বনিসমূহ



২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ধাৰা কেইটা আৰু কি কি?

(খ) অসমীয়া ভাষাত উষ্ম ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি?

(গ) উপভাষা সৃষ্টিৰ *দুটা* প্ৰধান কাৰণ লিখা।

(ঘ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা স্ত্ৰী-প্ৰত্যয় কেইটা আৰু কি কি?

(ঙ) ভাষা বিজ্ঞানৰ প্ৰধান ভাগ কেইটা আৰু কি কি, লিখা।

(চ) উপভাষাৰ প্ৰধান ভাগ কেইটা আৰু কি কি, লিখা।

(ছ) সৰ্গসমূহক প্ৰকৃতি বা ব্যৱহাৰৰ ধৰণ অনুসৰি কি কি ভাগত ভাগ কৰা হৈছে ?

৩। তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) অৱস্থানগত দিশৰ পৰা সৰ্গসমূহক কেই ভাগত আলোচনা কৰিব পাৰি বুজাই লিখা।

(খ) ধ্বনিৰ পৰা বৰ্ণ কেনেকৈ নিৰ্ণয় কৰা হয়, আলোচনা কৰা।

(গ) প্ৰত্যয় আৰু বিভক্তিৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰা।

(ঘ) 'অৰ্থ সংকোচন' বুলিলে কি বুজা, লিখা।

(ঙ) 'সামাজিক উপভাষা' বুলিলে কি বুজা লিখা।

(চ) আধুনিক ভাষাবিজ্ঞানত বাক্যৰ গঠনত 'আকাংক্ষা'ৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(ছ) বাক্-ধ্বনিবোৰক সাধাৰণতে কেইটা ভাগত ভগোৱা হয়, উদাহৰণসহ আলোচনা কৰা।

(জ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় আৰু অনিৰ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঝ) অসমীয়া ভাষাত শূন্য বিভক্তিৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা।

(ঞ) মান্যভাষা এটা উপভাষা হয়নে? যদি হয় উপভাষা এটাই কেনেদৰে মান্যভাষাৰ স্থান পায় আলোচনা কৰা।

৪। তলত দিয়া প্ৰশ্নসমূহৰ *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ ১০×২=২০

(ক) বাক্যতত্ত্ব কাক বোলে? অসমীয়া বাক্যসমূহক কেই ভাগত ভাগ কৰিব পাৰি আলোচনা কৰা।



(খ) ধ্বনি পৰিৱৰ্তনৰ কাৰণসমূহ আলোচনা কৰা।

(গ) প্ৰাকৃতি কাক বোলে? অসমীয়া ভাষাৰ প্ৰাকৃতিৰ শ্ৰেণী বিভাজন সম্পৰ্কে আলোচনা কৰা।

(ঘ) অৰ্থ পৰিৱৰ্তনৰ ধাৰাকেইটা কি কি? উদাহৰণসহ আলোচনা কৰা।

৫। তলত দিয়া প্ৰশ্নসমূহৰ *যিকোনো এটাৰ* উত্তৰ লিখা ঃ ১৪

(ক) ভাষাবিজ্ঞান বুলিলে কি বুজা? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ চমুকৈ আলোচনা কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(খ) ধ্বনিবিজ্ঞান কাক বোলে? ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ মাজৰ পাৰ্থক্য কি? ধ্বনিবিজ্ঞানক কেইটা ভাগত ভাগ কৰা হৈছে? প্ৰতিটো ভাগৰে চমু পৰিচয় দি এটি অলোচনা আগবঢ়োৱা। ২+৪+৮=১৪

(গ) উপভাষা সৃষ্টিৰ কাৰণসমূহ আলোচনা কৰি উপভাষাৰ সীমা নিৰ্ধাৰণ কেনেকৈ কৰিব পাৰি দেখুওৱা।